অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং – ১৩৬
উত্তৰ দিয়াৰ তাৰিখ- ০৮/০৭/২০২৬

*বিষয়ঃ* **MGNREGA** আৰু ঠিকাভিত্তিক কৰ্মচাৰী।
বিধায়কঃ শ্ৰীমেহবুব মোক্তাৰ :

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত ঠিকাভিত্তিক কৰ্মচাৰীসকলে শেহতীয়াকৈ ১০% বাৰ্ষিক বৃদ্ধিৰ লগতে ৫০% তকৈ অধিক দৰমহা সংশোধন লাভ কৰা বুলি চৰকাৰ অৱগত নে?

(খ)যদি অৱগত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত কাম কৰা ঠিকাভিত্তিক কৰ্মচাৰীসকলকো একেধৰণৰ সুবিধা প্ৰদান কৰা হোৱা নাই কিয়, দুয়োটা একেটা বিভাগৰ অধীনত থকাৰ পাছতো আৰু গুৰুত্বপূৰ্ণ গ্ৰাম্য উন্নয়ন আঁচনি ৰূপায়ণ কৰাৰ পাছতো প্ৰদান কৰা হোৱা নাই কিয়?

(গ)মূল্য বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে পি এন আৰ ডিৰ চুক্তিবদ্ধ কৰ্মচাৰীৰ পাৰিতোষিকৰ কোনো মূল্যায়ন কৰিছে নেকি?

(ঘ)চৰকাৰে পি এন আৰ ডিৰ চুক্তিবদ্ধ কৰ্মচাৰীৰ পাৰিতোষিক সংশোধন কৰি এ এছ আৰ এল এমৰ কৰ্মচাৰীসকলক প্ৰদান কৰা নিয়মীয়া বাৰ্ষিক বৃদ্ধি ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ দিছে নেকি? যদি দিছে তেন্তে ইয়াৰ সবিশেষ, আৰু যদি নাই তেন্তে ইয়াৰ কাৰণ জনাব।

(ঙ).এই বিভাগৰ অধীনত কাম কৰা ঠিকাভিত্তিক কৰ্মচাৰীসকলক সমগ্ৰ শিক্ষা অভিযান (এছ এছ এ) ৰ অধীনত ঠিকাভিত্তিক কৰ্মচাৰীসকলক প্ৰদান কৰা সুবিধাসমূহৰ দৰে পে-স্কেল সুবিধা, ডিয়াৰনেছ ভাট্টা (ডি এ) আৰু অন্যান্য সেৱা সুবিধা প্ৰদান কৰা হোৱা নাই কিয়? চৰকাৰে বিভাগসমূহৰ মাজত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ বাবে একেধৰণৰ দৰমহা আৰু সেৱাৰ সুবিধাৰ বাবে নীতি বিবেচনা কৰিছেনে?

(চ)ধিং সমষ্টিত বিগত ৫টা বিত্তীয় বৰ্ষত MGNREGA আঁচনিৰ অধীনত মুঠ কিমানটা জব কাৰ্ডধাৰী পৰিয়ালে ১০০ দিনৰ কৰ্মসংস্থাপন লাভ কৰিছে? ধিং সমষ্টিত যোৱা ৫টা বছৰত MGNREGA আঁচনিৰ কিমান পুঁজি আৱণ্টন দিয়া হৈছে? এই আঁচনিৰ অধীনত চলি থকা কিমানটা অমৃত সৰোবৰ নগাঁও জিলাত নিৰ্মাণ কৰা হৈছে আৰু কিমানটা অমৃত সৰোবৰ আঁচনি ধিং সমষ্টিত ৰূপায়িত হৈছে? সমষ্টি ভিত্তিত তালিকা দিব।

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত থকা ঠিকাভিত্তিক কৰ্মচাৰীসকলে ৫০% দৰমহা বৃদ্ধিৰে সংশোধিত নিৰিখ দৰমহা লাভ কৰিছে। ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ গ্ৰামোন্নয়ন বিভাগৰ পৰা ১৪ অক্টোবৰ, ২০২৪ তাৰিখে অহা নিৰ্দেশ মৰ্মে, "Model Human Resource Manual" ৰ ওপৰত ভিত্তি কৰি এখন নতুন "Human Resource Manual গ্ৰহণ কৰা হয়। সেই অনুসৰি, কৰ্মচাৰী সকলৰ দৰমহা সংশোধনী কৰা হয়। আনহাতে বাৰ্ষিক ১০% দৰমহা বৃদ্ধি এই "Model Human Resource Manual" ৰ আন এক ব্যৱস্থা। এই বৃদ্ধি এক নিয়মীয়া বাৰ্ষিক প্ৰক্ৰিয়া।

(খ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM) হৈছে সমিতি সমুহৰ পঞ্জীয়ন আইন, ১৮৬০ৰ অধীনত পঞ্জীয়নভুক্ত এক স্বায়ত্ব শাসিত সমিতি। উক্ত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM) অধীনত নিযুক্তি দিয়া ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ সেৱাৰ চৰ্তসমুহ সংশ্লিষ্ট সমিতিৰ নীতি-নিৰ্দেশনা অনুসৰি পৰিচালিত হয়।।

আনহাতে, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তৰ অধীনত কৰ্মৰত চুক্তিভিত্তিক কৰ্মচাৰীসকলক বিভাগে ৰূপায়ণ কৰা বিভিন্ন কেন্দ্ৰীয় আঁচনি আৰু আইনৰ অধীনত, যেনে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইন (MGNREGA), পঞ্চদশ বিত্তীয় আয়োগ, ৰাষ্ট্ৰীয় সামাজিক সহায় আঁচনি (NSAP) আৰু প্ৰধানমন্ত্ৰী আবাস যোজনা-গ্ৰামীণ (PMAY-G) আদি আঁচনিৰ সফল ৰূপায়ণ, পৰ্যবেক্ষণ, সমন্বয় তথা আঁচনিৰ কাৰ্যকৰীকৰণ উদ্দেশ্যে নিযুক্তি দিয়া হয়।

উক্ত চুক্তিভিত্তিক কৰ্মচাৰীসকলৰ মাহিলী পাৰিতোষিক সংশ্লিষ্ট আঁচনি বা আইনৰ অধীনত প্ৰশাসনিক পুঁজি (Administrative fund) বাবদ আবণ্টিত পুঁজিৰ পৰাহে বহন কৰা হয়। ঠিকাভিত্তিক কৰ্মচাৰী সকলৰ মাহিলী পাৰিতোষিক আঁচনি সমুহৰ প্ৰশাসনিক পুঁজিৰ বাবে নিৰ্ধাৰিত পুঁজিৰ পৰিমাণ, কেন্দ্ৰীয় নিৰ্দেশনা আৰু উপলব্ধ বিত্তীয় সামৰ্থ্য অনুসৰি নিৰ্ধাৰণ কৰা হয়।

সেয়েহে, চুক্তিভিত্তিক কৰ্মচাৰীসকলৰ মাহিলী পাৰিতোষিক নিৰ্ধাৰণ বা সংশোধন কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট আঁচনিৰ অধীনত উপলব্ধ প্ৰশাসনিক ব্যয়ৰ সীমা, চৰকাৰী নীতি-নিৰ্দেশনা আৰু বিত্তীয় ব্যৱস্থাপনাৰ বিষয়সমূহ বিবেচনা কৰা হয়। সেইবাবে উপলব্ধ প্ৰশাসনিক পুঁজিৰ সীমাৰ ভিতৰত থাকিয়েই তেওঁলোকৰ মাহিলী পাৰিতোষিক নিৰ্ধাৰণ আৰু পৰিশোধ কৰা হয়।

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত কাম কৰা ঠিকাভিত্তিক কৰ্মচাৰী সকলৰ মাহিলী পাৰিতোষিক সময়ে সময়ে বৃদ্ধি কৰা হয়। যোৱা পাঁচ বছৰত বৃদ্ধি কৰা মাহিলী পাৰিতোষিক ৰ তথ্য তলত দিয়া হল-

**Year - 2021**

| Slab | Remuneration per month | Enhancement |
|---|---|---|
| Slab 1 | 25,000/- and Below | 10% |
| Slab 2 | 25,001/- to 55,000 | 8% |
| Slab 3 | 55,001/- and above | 5% |

**Year - 2022**

| Designation | Enhancement |
|---|---|
| Gram Rozgar Sahayak | 20% |
| Gaon Panchayat Coordinator | 20% |
| Computer Asstt. | 20% |
| Account Assistant | 20% |
| Accredited Engineer | 12% |
| Block Programm Manager | 12% |
| Assistant District Program PMAY-G & MGNREGA) | 6% |
| District Program Manager RGSA | Flat increment of Rs. 1800/- |
| Additional District Program (RGSA) | Flat increment of Rs. 1800/- |
| State Head Quarters (Except | Flat increment of Rs. 1800/- |

**Year - 2023**

| Slab | Remuneration per month | Enhancement |
|---|---|---|
| Slab 1 | 30,000/- and Below | 10% |
| Slab 2 | 30,001/- to 50,000 | 5% |
| Slab 3 | 50,001/- to 75000 | 3% |
| Slab 4 | Rs 75001 & above | 1% |

**Year - 2024**

| Slab | Remuneration per month | Enhancement |
|---|---|---|
| Slab 1 | Upto Rs. 30,000/- | 10% |
| Slab 2 | 30,001/- to 55,000 | 8% |
| Slab 3 | 55,001/- and above | 5% |

**Year - 2025**

| | |
|---|---|
| All employee | 10% |

(ঘ) বৰ্তমান পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত কাম কৰা ঠিকাভিত্তিক কৰ্মচাৰী মাহিলী পাৰিতোষিক সংশোধন কৰাৰ অথবা নিয়মীয়া বাৰ্ষিক পাৰিতোষিক বৃদ্ধিৰ কৰাৰ সন্দৰ্ভত কোনো প্ৰস্তাৱ চৰকাৰে লোৱা নাই।

(ঙ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলক বিভাগে ৰূপায়ণ কৰা বিভিন্ন আঁচনি আৰু আইনৰ অধীনত MGNREGA, পঞ্চদশ বিত্তীয় আয়োগ, ৰাষ্ট্ৰীয় সামাজিক সহায় আঁচনি (NSAP) আৰু প্ৰধানমন্ত্ৰী আবাস যোজনা-গ্ৰামীণ (PMAY-G) নিযুক্তি দিয়া হয়। তেওঁলোকৰ মাহিলী পাৰিতোষিক সংশ্লিষ্ট আঁচনিৰ প্ৰশাসনিক ব্যয়ৰ বাবে আবণ্টিত পুঁজিৰ পৰা বহন কৰা হয়। সেয়েহে, প্ৰশাসনিক ব্যয়ৰ সীমাৰ ভিতৰত পাৰিতোষিক আৰু অন্যান্য সেৱাগত সুবিধা নিৰ্ধাৰণ কৰা হয়। এই কাৰণেই সমগ্ৰ শিক্ষা অভিযান বা আন বিভাগসমূহৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ সেৱাগত সুবিধাসমূহ একে নহয়।

বৰ্তমান পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলক তলত উল্লেখ কৰা সুবিধা সমূহ প্ৰদান কৰা হয়-

১. মহিলা কৰ্মচাৰীসকলক ১৮০ (এশ আশী) দিনৰ প্ৰসূতিকালীন ছুটী।

২. সকলো ঠিকাভিত্তিক কৰ্মচাৰীলৈ বছৰি ৩০ (ত্ৰিশ) দিনৰ আৰ্জিত ছুটী।

৩. শিশুৰ যত্নৰ বাবে মাহিলী ১,০০০/- টকাৰ Child Care Allowance আৰু বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত মাহিলী ৫০০/- টকাৰ বিশেষ ভাট্টা।

৪. ভ্ৰমণ আৰু মোবাইল ফোন ব্যৱহাৰৰ ব্যয় বাবদ মাহিলী ৫০০/- টকাৰ ভাট্টা।

৫. কৰ্মৰত অৱস্থাত কোনো ঠিকাভিত্তিক কৰ্মচাৰীৰ মৃত্যু হ'লে তেওঁৰ পৰিয়ালক ৫,০০,০০০/-(পাঁচ লাখ) টকাৰ এককালীন আৰ্থিক সাহায্য।

৬. ইয়াৰ উপৰিও স্বাস্থ্য বীমাৰ সুবিধাৰ আৰু ৪৫ বছৰৰ ঊৰ্দ্ধৰ আৰু কমেও ১০ বছৰ সেৱা সম্পন্ন কৰা যোগ্য ঠিকাভিত্তিক কৰ্মচাৰীসকলক ৬০ বছৰ বয়সলৈকে সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(চ) প্ৰকল্প সঞ্চালক, জিলা গ্ৰামোন্নয়ন অভিকৰণ, নগাঁও পৰা লাভ কৰা তথ্য অনুসৰি যোৱা ৫ বছৰত ধিং বিধান সভা সমষ্টিৰ MGNREGA আঁচনিৰ অধীনত ১০০ দিনৰ কৰ্মসংস্থাপন লাভ কৰা জৱকাৰ্ড ধাৰী পৰিয়ালৰ সংখ্যা হ'ল- ১৯১১ টা। সবিশেষ তলত উল্লেখ কৰা হ'লঃ-

| উন্নয়ন খণ্ড | ২০২১-২২ | ২০২২-২৩ | ২০২৩-২৪ | ২০২৪-২৫ | ২০২৫-২৬ | মুঠ |
|---|---|---|---|---|---|---|
| ধিং | ৫৯৭ | ২৫৪ | ১২০ | ৮৪৪ | ৯৬ | ১৯১১ |
| নিজ ধিং | - | - | - | - | * | |
| | ৫৯৭ | ২৫৪ | ১২০ | ৮৪৪ | ৯৬ | ১৯১১ |

*নিজ ধিং উন্নয়ন খণ্ডটো গাঁও পঞ্চায়ত আৰু সমষ্টি পূৰ্ণ নিৰ্ধাৰণৰ ফলত নতুনকৈ সৃষ্টি কৰা উন্নয়ন খণ্ড। সেয়েহে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৮১-৯৯ দিন কৰ্মসংস্থাপন লাভ কৰা পৰিয়ালৰ সংখ্যা হ'ল- ৮৪০ টা।

যোৱা ৫ বছৰত ধিং বিধান সভা সমষ্টিত MGNREGA আঁচনিৰ অধীনত আৱণ্টণ দিয়া পুঁজিৰ তথ্য তলত উল্লেখ কৰা হ'লঃ-

| উন্নয়ন খণ্ড | ২০২১-২২ (লাখ টকা) | ২০২২-২৩ (লাখ টকা) | ২০২৩-২৪ (লাখ টকা) | ২০২৪-২৫ (লাখ টকা) | ২০২৫-২৬ (লাখ টকা) |
|---|---|---|---|---|---|
| ধিং | ১৬১৮.৬৪ | ১৪২৫.৩৬ | ১৪৪১.৬৫ | ১৯৯২.০১ | ২২৪১.০৪ |
| নিজ ধিং | ১৮৩৫.২৩ | ১৫১৫.৪৪ | ৯২৭.২৯ | ৭৭১.৮৯ | ৭০৭.০৮ |
| | ৩৪৫৩.৮৭ | ২৯৪০.৮০ | ২৩৬৮.৯৪ | ২৭৬৩.৯০ | ২৯৪৮.১২ |

নগাঁও জিলাত MGNREGA ৰ অধীনত মুঠ ৮৬ টা অমৃত সৰোবৰ আঁচনি নির্মাণ কৰা হৈছে আৰু ইয়াৰে ধিং সমষ্টিত মুঠ ১০টা অমৃত সৰোবৰ আঁচনি ৰূপায়িত হৈছে। সমষ্টি ভিত্তিত তালিকা তলত উল্লেখ কৰা হ'লঃ-

| ক্রমিক নং | সমষ্টিৰ নাম | উন্নয়ন খণ্ড | অমৃত সৰোবৰৰ সংখ্যা |
|---|---|---|---|
| ১ | বড়মপুৰ | বড়মপুৰ | ৩ |
| ২ | বড়মপুৰ | কঠিয়াতলী | ২৫ |
| ৩ | অধিসূচনাৰ দ্বাৰা বাতিল কৰা উন্নয়ন খণ্ড | বাজিয়াগাওঁ | ৩ |
| ৪ | অধিসূচনাৰ দ্বাৰা বাতিল কৰা উন্নয়ন খণ্ড | দলংঘাট | ৫ |
| ৫ | ধিং | বটদ্ৰবা | ১০ |
| ৬ | কলিয়াবৰ | কলিয়াবৰ | ৪ |
| ৭ | কলিয়াবৰ | পশ্চিম কলিয়াবৰ | ২ |
| ৮ | নগাঁও বটদ্ৰবা | খাগৰিজান | ৫ |
| ৯ | ৰহা | পাখিমবিয়া | ৪ |
| ১০ | ৰহা | ৰহা | ১৯ |
| ১১ | ৰূপহীহাট | জুৰিয়া | ৩ |
| ১২ | ৰূপহীহাট | ৰূপহীহাট | ৩ |
| | মুঠ | | ৮৬ |

*******